জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ১৮৮/২০২০

## ক'ভিড-১৯ নিয়ন্ত্ৰণৰ বাবে ৰাজ্যৰ স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপসমূহৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## বহিঃৰাজ্য আৰু বহিঃৰাষ্ট্ৰত আবদ্ধ অসমৰ লোকসকলক প্ৰয়োজনীয় সা-সুবিধা প্ৰদানৰ প্ৰতি অসম চৰকাৰ দায়বদ্ধ ঃ মুখ্যমন্ত্ৰী

## ক'ভিড-১৯ প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা ফলপ্ৰসূ আৰু তাৎক্ষণিক পদক্ষেপৰ বাবে স্বাস্থ্যমন্ত্ৰী আৰু স্বাস্থ্য বিভাগক প্ৰশংসা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৯ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ খ্ৰীষ্টানবস্তিস্থিত ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, অসমৰ কাৰ্যালয়ত উপস্থিত হৈ ক'ভিড-১৯ নিয়ন্ত্ৰণৰ বাবে ৰাজ্যৰ স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপসমূহৰ পৰ্যালোচনা কৰে। স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ স্বাস্থ্য বিভাগে ক'ভিড-১৯ প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা ফলপ্ৰসূ আৰু তাৎক্ষণিক পদক্ষেপৰ বাবে স্বাস্থ্যমন্ত্ৰী গৰাকীৰ লগতে ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী পীযুষ হাজৰিকা আৰু স্বাস্থ্য বিভাগৰ প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰীক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই পদক্ষেপসমূহৰ বাবে অসমৰ ৰাইজৰ আত্মবিশ্বাস বৃদ্ধি পাইছে আৰু এই যুঁজত আমি জয়ী হ'ম বুলি নিশ্চিত হৈছো। অসমৰ দৰে ৰাজ্যত কৰ'না ভাইৰাছৰ ভয়াবহ দিশটোৰ বাবে প্ৰথম অৱস্থাত ৰাইজ যথেষ্ট চিন্তিত হৈছিল বুলিও উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ স্বাস্থ্য বিভাগে যি দক্ষতাৰে পৰ্যাপ্ত আন্তঃগাঁথনিৰ সৃষ্টি, আভ্যন্তৰীণ যা-যোগাৰ আদিৰ জৰিয়তে খুব কম সময়ৰ ভিতৰতে এই হিমালয় সদৃশ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ ৰাজ্যখনক সাজু কৰি তুলিলে সেয়া অতিশয় প্ৰশংসনীয়। তেওঁ নিজেই ৰাজ্যৰ প্ৰায় আটাইকেইখন জিলা ভ্ৰমণ কৰি স্বাস্থ্য বিভাগৰ কাম-কাজসমূহৰ সুফল প্ৰত্যক্ষ কৰিছে বুলি অৱগত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ ফলত ৰাইজৰ লগতে এই যুঁজত প্ৰত্যক্ষভাৱে নামি পৰা চিকিৎসক, নাৰ্ছকে ধৰি স্বাস্থ্য কৰ্মীসকলৰ মনোবল যথেষ্ট বৃদ্ধি পাইছে। সময়োপযোগী পদক্ষেপ গ্ৰহণেৰে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগ ক'ভিড-১৯ নিয়ন্ত্ৰণৰ দিশত ক্ৰমান্বয়ে অধিক পৰিপক্ক হৈ উঠিছে আৰু ই ৰাইজক অতিশয় আশ্বস্ত কৰিছে। দেশৰ অন্য ৰাজ্যসমূহৰ তুলনাত ক'ভিড-১৯ ৰ বিৰুদ্ধে এই যুঁজত আমি যথেষ্ট আগবাঢ়িছো। এই গতি অব্যাহত ৰাখিবলৈ আৰু এই মহান কৰ্তব্যত সৰ্বান্তকৰণেৰে আত্মনিয়োগ কৰি 'টীম আছাম'ৰ মানসিকতাৰে কাম কৰিবলৈ তেওঁ স্বাস্থ্য বিভাগৰ প্ৰতিগৰাকী বিষয়ববীয়াকে আহ্বান জনায়।

ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ কাৰ্যালয় প্ৰাঙ্গনত সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বহিঃৰাজ্য আৰু বহিঃৰাষ্ট্ৰত আৱদ্ধ অসমৰ লোকসকলৰ সুবিধা-অসুবিধাৰ প্ৰতি অসম চৰকাৰ অতিশয় উদ্বিগ্ন। তেওঁলোকক প্ৰয়োজনীয় সা-সুবিধা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ আৰু এই দিশত চৰকাৰে সম্ভৱপৰ সকলো পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ নিজেই দেশৰ বহু কেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি সেই ৰাজ্যসমূহত লক্-ডাউনৰ বাবে আবদ্ধ হৈ পৰা অসমৰ লোকসকলক খাদ্য, চিকিৎসাকে ধৰি প্ৰয়োজনীয় সকলো সা-সুবিধা আগবঢ়াবলৈ আহ্বান জনাইছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

সংশ্লিষ্ট ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলেও এই ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰীগৰাকীক প্ৰয়োজনীয় সকলোধৰণৰ সহযোগিতাৰ আশ্বাস প্ৰদান কৰিছে। একেদৰে অসমৰ বিভিন্ন জিলাত আৱদ্ধ হৈ থকা বহিঃৰাজ্যৰ লোকসকলৰ বাবেও ৰাজ্য চৰকাৰে কৰণীয় সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। উল্লেখযোগ্য যে এই পৰ্যন্ত বিদেশত আৱদ্ধ অসমৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য লোকলৈ ৰাজ্য চৰকাৰে ১ হাজাৰ মাৰ্কিন ডলাৰ কৈ আৰ্থিক সাহায্য আগবঢ়াইছে। সেইদৰে চিকিৎসাৰ বাবে গৈ বহিঃৰাজ্যত আৱদ্ধ হৈ পৰা অসমৰ ৬১০ গৰাকী, কৰ্কট, কিডনী আৰু হৃদৰোগত আক্ৰান্ত ব্যক্তিলৈ ৰাজ্য চৰকাৰে ২৫ হাজাৰ টকাকৈ মুঠ ১.৫২ কোটি টকাৰ সাহায্য আগবঢ়াইছে।

পৰ্যালোচনা বৈঠকত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে ক'ভিড-১৯ নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ বিষয়ে স্বাস্থ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী সোণোৱালক বিশদভাৱে অৱগত কৰে। স্বাস্থ্য মন্ত্ৰী ড০ শৰ্মাই কয় যে ভাৰত চৰকাৰে গ্ৰহণ কৰা কঠোৰ পদক্ষেপৰ বাবে অন্য দেশসমূহৰ তুলনাত ভাৰতত সংক্ৰমণৰ গতি যথেষ্ট লেহেমীয়া কৰিবলৈ আমি সক্ষম হৈছো। অৱশ্যে আমাৰ দেশত ক'ভিড-১৯ ৰ অধিক পৰীক্ষাৰ প্ৰয়োজনীয়তা আছে বুলি উল্লেখ কৰি তেওঁ কয় যে বহিঃৰাজ্যত আৱদ্ধ অসমৰ লোকসকল ঘূৰি অহাৰ পাছত ৰাজ্যখনে এক নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয় যে ক'ভিড-১৯ নিয়ন্ত্ৰণৰ বাবে ৰাজ্যৰ স্বাস্থ্য বিভাগে ২৪ ঘন্টাই উৎসৰ্গিত মনোভাৱেৰে সেৱা আগবঢ়াই আছে। ভাৰতৰ অন্য ৰাজ্যতকৈ অসমত কেতবোৰ নীতি-নিয়ম অধিক কঠোৰ কৰি তোলা হৈছে বুলি তেওঁ মুখ্যমন্ত্ৰীক অৱগত কৰে। ড° শৰ্মাই কয় যে ভাৰত চৰকাৰৰ স্বাস্থ্য বিভাগে প্ৰায় প্ৰতি দিনেই ক'ভিড-১৯ প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে হাতত লোৱা পদক্ষেপৰ পৰ্যালোচনা কৰি আছে। বিশ্ব স্বাস্থ্য সংস্থা আৰু ইউনিচেফৰ দৰে সংস্থাৰ প্ৰতিনিধিৰ সৈতে প্ৰায় প্ৰতি দিনেই বৈঠকত মিলিত হৈ থকা গৈছে। ক'ভিড-১৯ ৰ লগতে ৰাজ্যখনত জাপানীজ এনকেফেলাইটিছ নিৰীক্ষণৰ বাবেও এক প্ৰট'কল গঢ়ি তোলা হৈছে। ৰাজ্যখনত এক 'কুৱাৰেনটাইন ৰিলিজ পলিচি' প্ৰস্তুত কৰাৰ লগতে 'কুৱাৰেনটাইন ডিছচাৰ্জ ব'ৰ্ড' গঠন কৰা হৈছে। ক'ভিড-১৯ বিৰোধী যুঁজৰ সন্মুখ পৰ্যায়ৰ কৰ্মীসকলৰ বাবে প্ৰতিখন জিলাতে প্ৰশিক্ষণ প্ৰদানৰ কাম সম্পূৰ্ণ হৈছে বুলিও ড° শৰ্মাই মুখ্যমন্ত্ৰীক অৱগত কৰে। লক্-ডাউনৰ সময়ছোৱাত ৰাজ্যৰ স্বাস্থ্য বিভাগে ৰাজ্যবাসীক ঘৰৰ দুৱাৰদলিতে ঔষধ যোগান ধৰাৰ বাবেও অতি সোনকালে এক পদক্ষেপ গ্ৰহণ কৰিব বুলি স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে মুখ্যমন্ত্ৰী সোণোৱালক জানিবলৈ দিয়ে। বৈঠকত উপস্থিত থকা স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ সিনহাই বিভাগটোৱে এই দিশত গ্ৰহণ কৰা পদক্ষেপসমূহ পাৱাৰ পইণ্ট প্ৰেজেণ্টেশ্যনযোগে মুখ্যমন্ত্ৰীৰ আগত উপস্থাপন কৰে।

উল্লেখযোগ্য যে ৰাজ্যখনত এই পৰ্যন্ত ৪৭৪২ গৰাকী ব্যক্তিক ক'ভিড-১৯ ৰ পৰীক্ষা কৰা হৈছে। তাৰে ৩৪ গৰাকী ব্যক্তি আক্ৰান্ত হোৱাটো নিশ্চিত হোৱাৰ বিপৰীতে ৪৪০৮ গৰাকী ব্যক্তি ক'ভিড-১৯ মুক্ত বুলি চিহ্নিত হৈছে আৰু ৩০০ গৰাকীৰ ফলাফল অপেক্ষাত আছে। আজি সন্ধিয়া পৰ্যন্ত ৰাজ্যখনৰ ১৬ গৰাকী ক'ভিড-১৯ ৰোগীয়ে আৰোগ্য লাভ কৰিছে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

ৰাজ্যখনৰ চৰকাৰী আৰু বেচৰকাৰী চিকিৎসালয়সমূহত এই পৰ্যন্ত ক'ভিড-১৯ ৰ চিকিৎসাৰ বাবে আইছ'লেশ্যন ৱাৰ্ডত ৩৩৩৮ খন বিচনা সাজু কৰি তোলা হৈছে। তাৰে ৪৫৬ খনত আই চি ইউৰ সুবিধা আৰু ৩০৩ খনত ভেণ্টিলেশ্যনৰ সুবিধা আছে।

বহিঃৰাজ্যত আৱদ্ধ অসমৰ লোকসকলক ঘূৰাই অনাৰ দিশটো সুযম কৰি তোলাৰ বাবে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে ‘আছাম কেয়াৰ পৰ্টেল’ নামৰ এক বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। আছাম কেয়াৰ হেল্পলাইনলৈ এই পৰ্যন্ত ৪.৩২ লাখ টা ফোন কল আহিছে আৰু তেওঁলোকক শৃংখলাৱদ্ধভাৱে নিজ নিজ গৃহলৈ ঘূৰাই অনাৰ বাবে চৰকাৰে এক বিস্তৃত পৰিকল্পনা যুগুত কৰিছে। ৰাজ্যখনত অতি সোনকালেই এক ক'ভিড-১৯ ডেছ্‌ব'ৰ্ড সাজু হৈ উঠিব। বৰ্তমান ৰাজ্যখনত ১.৬৭ লাখ টা পি পি ই কিট, ৯৪ হাজাৰ এন-৯৫ মাস্ক আৰু ৮৩ লাখ ট্ৰিপল লেয়াৰ মাস্ক মজুত আছে আৰু বাহিৰৰ পৰা প্ৰায় প্ৰতি দিনাই চিকিৎসা সঁজুলি আহি আছে।

আজিৰ এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়ক বিমল বৰাৰ লগতে স্বাস্থ্য বিভাগ, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন আৰু বিত্ত বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে। বৈঠকত বিশ্ব স্বাস্থ্য সংস্থাৰ প্ৰতিনিধিও উপস্থিত থাকে।

**প্ৰঃকুঃবঃ/পুঃডেঃ**
**১৯/৪/২০২০**